**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**HEADLINES**

১। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজ্যৰ ৫ টা লোকসভা সমষ্টিৰ মুঠ ৬৫ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল। আজি মনোনয়ন পৰীক্ষা।

২। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে নিৰ্বাচনী প্ৰচাৰ অভিযান অব্যাহত। ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি ডিগবৈ, মাকুম আৰু টিংখঙত নিৰ্বাচনী সভাত অংশগ্ৰহণ।

৩। ই ভি এম আৰু ভি ভি পেটৰ সুৰক্ষা তথা নিৰাপত্তাক লৈ ভোটাৰক উদ্বিগ্ন নহ'বলৈ নিৰ্বাচন আয়োগৰ আহ্বান।

৪। ৰাজ্যজুৰি বাপতিসাহোন ৰঙালী বিহুৰ ব্যাপক প্ৰস্তুতি।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদত হ'বলগা এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি।

~~0000000~~

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে ৰাজ্যত মুঠ ৬৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলৰ কালি অন্তিম দিনা ৰাজ্যৰ ৫টা লোকসভা সমষ্টিৰ বাবে কালি ৩৮খন মনোনয়ন দাখিল কৰা হয়। ইয়াৰে দৰং-ওদালগুৰিত ৫ গৰাকী, ডিফুত এগৰাকী, কৰিমগঞ্জত ২০গৰাকী, শিলচৰত দুগৰাকী আৰু নগাঁৱত ১০গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্য পৰিবহণ আৰু আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বিজেপি সাংসদ কৃপানাথ মল্লা, দিলীপ শইকীয়া, কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিপিএফৰ বিধায়ক দুৰ্গাদাস বড়ো আছে। এ আই ইউ ডি এফ আৰু তৃণমূল কংগ্ৰেছেও তৃতীয় পৰ্যায়ৰ বাবে প্ৰাৰ্থী থিয় কৰাইছে। মনোনয়নপত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন হৈছে ৮ এপ্ৰিল।

দ্বিতীয় পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত সামৰিবলগীয়া সমষ্টিকেইটাৰ ভিতৰত কেৰালাৰ ২০টা, কৰ্ণাটকৰ ১৪টা, ৰাজস্থানৰ ১৩টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮টাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ ৩টাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা তথা জম্মু-কাশ্মীৰৰ এটাকৈ সমষ্টি আছে। এই পৰ্যায়ৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জম্মু-কাশ্মীৰৰ সমষ্টিটোৰ বাহিৰে বাকী সমষ্টি কেইটাৰ বাবে আজি মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত কাইলৈ মনোনয়ন পৰীক্ষা কৰা হ'ব।

00000000

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত প্ৰতিটো ৰাজনৈতিক দলৰে প্ৰচাৰ অভিযান তুংগত উঠিছে। কাজিৰঙা সংসদীয় সমষ্টিৰ এন ডি এ সমৰ্থিত বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ সমৰ্থনত বিজেপি-অগপ-সন্মিলিত গণশক্তিৰ কৰ্মকৰ্তাসকলে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। এই প্ৰচাৰ কাৰ্যসূচীক অধিক জনমুখী কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ৭ এপ্ৰিলত বোকাখাটৰ বিহৰাৰ কুঁহিয়াৰবাৰীত এখন নিৰ্বাচনী জনসভা সম্বোধন কৰিব। বোকাখাটত থকা বোকাখাট বিধানসভা সমষ্টিৰ মিত্ৰদলসমূহৰ যুটীয়া নিৰ্বাচনী কাৰ্যালয়ত উপস্থিত হৈ কালি মন্ত্ৰী অতুল বৰাই এই ৰাজহুৱা সমাৰেশৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

ইপিনে ডিব্রুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিগবৈ, মাকুম আৰু টিংখঙত তিনিখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পূৰ্বে কালি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মাৰ্ঘেৰিটাত বিজেপিৰ ৫ খনকৈ নিৰ্বাচনী সভাত অংশ লৈ প্ৰচাৰ চলায়। নিৰ্বাচনী সভাৰ অন্তত মাৰ্ঘেৰিটাতে এটা পদযাত্ৰাতো তেওঁ অংশগ্ৰহণ কৰে।

শোণিতপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বিশ্বনাথ জিলাৰ অগপৰ কাৰ্যালয়ত কালি এখন নিৰ্বাচন কেন্দ্ৰিক বৈঠক অনুষ্ঠিত হয়। বৈঠকত উপস্থিত থাকি অগপৰ সাধাৰণ সম্পাদক প্ৰবীন হাজৰিকা আৰু অসম যুৱ পৰিষদৰ সভাপতি জিতু বৰগোঁহাঞিয়ে এন ডি এৰ সমৰ্থিত বিজেপি প্ৰাৰ্থী ৰণজিৎ দত্তক জয়ী কৰাৰ উদ্দেশ্যে দলৰ সকলো সদস্য কৰ্মীকে নিষ্ঠাৰে কাম-কাজ আগবঢ়াই নিবলৈ আহ্বান জনায়।

ইপিনে, বৰপেটা লোকসভা সমষ্টিৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীয়ে কালি সন্ধিয়া বজালী জিলাৰ কঠালমুৰী ঘাটত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশ লৈ প্ৰচাৰ চলায়।

বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী তথা বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কালি এখন সংবাদমেল যোগে বৰপেটা লোকসভা সমষ্টিৰ বাবে বি পি এফৰ প্ৰাৰ্থী হিচাপে ছমেজ উদ্দিনৰ নাম ঘোষণা কৰে। উল্লেখযোগ্য যে বি পি এফে ৰাজ্যখনৰ মুঠ ৫ টা সমষ্টিত প্ৰাৰ্থী আগবঢ়াব আৰু ইতিমধ্যে ইয়াৰে চাৰিটা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হৈছে। অচিৰেই বাকী থকা গুৱাহাটী লোকসভা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হ'ব বুলি হাগ্ৰামা মহিলাৰীয়ে সংবাদমেলখনত প্ৰকাশ কৰে।

oooooooo

দেশৰ ভোটদান প্ৰক্ৰিয়াত ব্যৱহাৰ কৰা ইলেকট্ৰনিক ভোটিং মেচিন সম্পূৰ্ণ সুৰক্ষিত আৰু নিৰাপদ বুলি নিৰ্বাচন আয়োগে পুনৰবাৰ স্পষ্ট কৰি দিছে। সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰসকলৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আয়োগৰ তৰফৰ পৰা ইলেকট্ৰনিক ভোটিং মেচিন আৰু ভোটাৰ ভেৰিফাইড পেপাৰ অডিটট্ৰেইল চমুকৈ ভিভিপেট আদিক লৈ থকা সাধাৰণ ভোটাৰৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ ব্যাখ্যা কৰা হৈছে। নিৰ্বাচন আয়োগে এই বুলি স্পষ্ট কৰি দিছে যে ভোটদানৰ বাবে ই ভি এমৰ ব্যৱহাৰ সম্পূৰ্ণ সুৰক্ষিত। ই ভি এম সমূহ সদায় আৰক্ষীৰ তত্ত্বাৱধানত সুৰক্ষিতভাৱে পৰিবহণ কৰা হয় আৰু ইয়াক হেক কৰিব নোৱাৰি। তদুপৰি ই ভি এমত ভোটদান এবাৰতকৈ অধিক কৰিব নোৱাৰি আৰু **এজন ভোটাৰ এটা ভোট** নীতি নিশ্চিত কৰিবলৈ ই ভি এমে অধিক বুটাম টিপিলে কোনো সঁহাৰি নিদিয়ে। আয়োগৰ মতে ই ভি এমৰ ব্যৱহাৰ আইনীৰূপে সমৰ্থিত হোৱাৰ লগতে ভি ভি পেটৰ হেকিঙক লৈ ভোটাৰসকল উদ্বিগ্ন হোৱাৰ কোনো কাৰণ নাই। এনে ভুৱা দাবীৰ কোনো বৈজ্ঞানিক ভিত্তি নাই বুলি আয়োগে স্পষ্টকৈ উল্লেখ কৰিছে।

ইফালে, ই ভি এম আৰু ভি ভি পেটৰ সুৰক্ষাৰ দিশটোক লৈ ভোটাৰসকলক নিশ্চিন্ত হৈ থাকিবলৈ আহ্বান জনাই ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আকাশবাণীৰ আগত এইদৰে কয়–

***ঃঃ ভইচ ঃঃ***

ooooo

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। মাজুলীত নিৰ্বাচনী প্ৰস্তুতিৰ অংশ হিচাপে কালি মাজুলী আউনীআটি হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলাখনৰ ৭৯৬ গৰাকী প্ৰিজাইডিং, প্ৰথম পোলিং, দ্বিতীয় পোলিং আৰু তৃতীয় পোলিং বিষয়াক দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰশিক্ষণ প্ৰদান কৰা হয়। মাজুলী জিলা আয়ুক্তই নিৰ্বাচনী প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন কৰি সকলো কাৰ্যসূচী নিৰীক্ষণ কৰে।

মৰিগাঁও জিলাত নিৰ্বাচনী প্ৰস্তুতিৰ অংশ হিচাপে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱাশিষ শৰ্মাই নিৰ্বাচনৰ প্ৰতিটো কোষৰ কাম-কাজ আৰু বিভিন্ন কোষে সনুখীন হোৱা সমস্যাসমূহৰ সবিশেষ বুজ লয়। আয়ুক্তগৰাকীয়ে জিলাখনৰ ছটা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ আৰু ২৯ টা মহিলা ভোটগ্ৰহণ কেন্দ্ৰৰ অৱস্থা সম্পৰ্কে বুজ লোৱাৰ লগতে ভোটগ্ৰহণ

কেন্দ্ৰসমূহত মহিলাৰ বাবে সুকীয়া শৌচাগাৰৰ ব্যৱস্থা কৰা আৰু মহিলা ভোটগ্ৰহণকাৰী সকলৰ বাবে ভোটগ্ৰহণৰ আগদিনা থকাৰ সুব্যৱস্থা সুনিশ্চিত কৰিবলৈ বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশ দিয়ে। সভাত ন'ডেল বিষয়া আৰু সহকাৰী ৰিটাৰ্নিং বিষয়াসকল উপস্থিত থাকে।

বজালী জিলাতো কালি ৫৯৬ গৰাকী দ্বিতীয় আৰু ৫৫৯ গৰাকী তৃতীয় পোলিং বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হয়। জিলা আয়ুক্তৰ নেতৃত্বত তথা কৰ্মচাৰী কোষৰ মুৰববী আৰু বিষয়াসকলৰ তত্ত্বাৱধানত ৪৯ গৰাকী প্ৰশিক্ষকে ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত পৰ্যায়ক্ৰমে পোলিং বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰে।

oooooooo

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুলৈ মাজত আৰু মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰঙালীক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক প্ৰস্তুতি চলিছে। ঠায়ে ঠায়ে বিহুৰ আখৰা চলি থকাৰ লগতে বিহু নাচ আৰু ঢোল বাদনৰ কৰ্মশালাৰো আয়োজন কৰা হৈছে। হোজাইৰ দক্ষিণ কেন্দুগুৰি বৰনামঘৰৰ খেলপথাৰত শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ সংঘৰ সৌজন্যত ৮ দিনীয়া কাৰ্যসূচীৰে বিহু নাচ আৰু ঢোল বাদনৰ কৰ্মশালা অনুষ্ঠিত হৈছে। টীয়কৰ ঔগুৰি খেলপথাৰতো ১০ দিনীয়াকৈ বিহু নাচ আৰু ঢোল বাদনৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাজ্যৰ কেইবাগৰাকীও অভিজ্ঞ প্ৰশিক্ষকে বিহু নাচ, ঢোলৰ চাপৰ, সাজপাৰ, বিহুনাম আদি শুদ্ধৰূপত উপস্থাপনৰ প্ৰশিক্ষণ আগবঢ়োৱা এই কৰ্মশালাত প্ৰায় দুইশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। ইপিনে অসম ছাত্ৰ পৰিষদ বোকাখাট সমষ্টি সমিতিৰ উদ্যোগত এইবেলি ১১ দিনীয়াকৈ বিহু নাচ আৰু ঢোল বাদনৰ কৰ্মশালা অনুষ্ঠিত কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানতো বিহুৰ আখৰা চলি আছে। তদুপৰি মঞ্চ বিহু উদযাপনৰ বাবে বিভিন্ন ঠাইত আয়োজক সমিতিসমূহে প্ৰস্তুতি চলাইছে।

ইফালে হেপাহৰ ৰঙালীক আদৰাৰ বাবে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ঢোল প্ৰস্তুতকাৰী কুটীৰ শিল্পীসকলৰ মাজত ব্যস্ততা বৃদ্ধি পাইছে। হাজোৰ পানীপাৰাৰ কেইবাগৰাকীও এনে কুটীৰ শিল্পীয়ে দিনে নিশাই ঢোল প্ৰস্তুত কৰি বজাৰত বিক্ৰীৰ বাবে উলিয়াই দিছে। অঞ্চলটোৰ কুটীৰ শিল্পীসকলে লোকবাদ্য ঢোলক ভৌগোলিক সূচাংকৰ স্বীকৃতি প্ৰদান কৰাৰ সিদ্ধান্তক আদৰণি জনাইছে। একেদৰে গোৰেশ্বৰৰ ঢোলৰ বিপণীসমূহতো কাৰিকৰসকলৰ ব্যস্ততা পৰিলক্ষিত হৈছে।

ইপিনে ঠায়ে ঠায়ে ৰঙালী বিহু উপলক্ষে মুকলি কৰা বিপণীসমূহত থলুৱাভাৱে উৎপাদিত হস্ততাঁত সামগ্ৰি, বিভিন্ন সাজ-পাৰ আৰু সুস্বাদু খাদ্যৰ লগতে বিহু নাচত ব্যৱহৃত লোকবাদ্যসমূহো প্ৰদৰ্শন কৰা হৈছে। ৰঙালী বিহু উপলক্ষে আজিৰে পৰা ৭ এপ্ৰিললৈ কলাক্ষেত্ৰত বসন্ত ২০২৪ শীৰ্ষক এখন হস্তশিল্প মেলাৰ আয়োজন কৰা হৈছে।

oooooooo

নিৰ্বাচন আয়োগে আজি সৰ্বনিম্ন ভোটদানৰ হাৰ থকা ১১ খন ৰাজ্যৰ মহানগৰসমূহৰ পৌৰ আয়ুক্ত আৰু বচা বচা জিলা নিৰ্বাচনী বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হ'ব। নতুন দিল্লীত হ'বলগীয়া এই বৈঠকত আসন্ন লোকসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ উপায় সন্দৰ্ভত আলোচনা কৰা হ'ব। বৈঠকত নগৰ আৰু চহৰৰ একাংশ এলেকাত কম ভোটদানৰ সমস্যা দূৰ কৰাৰ বাবে বিশেষ কাৰ্য পৰিকল্পনাৰ বিষয়ত আলোচনা কৰা হ'ব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ, নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুই বৈঠকত অধ্যক্ষতা কৰিব।

oooooo

নতুন দিল্লীৰ ৰং ভৱনত আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় দলসমূহৰ বাবে আকাশবাণী আৰু দূৰদৰ্শনযোগে প্ৰচাৰৰ সময় নিৰ্ধাৰণ কৰা হয়। সেই অনুসৰি প্ৰতিটো ৰাষ্ট্ৰীয় দলক দূৰদৰ্শনৰ বাবে ৪৫ মিনিটকৈ সময় প্ৰদান কৰা হৈছে। ইয়াৰ লগতে ৬টা ৰাষ্ট্ৰীয় দলৰ বাবে প্ৰচাৰ তথা সম্প্ৰচাৰৰ বাবে অতিৰিক্ত চাৰে ৫ ঘণ্টা নিৰ্ধাৰণ কৰা হৈছে। ৰাষ্ট্ৰীয় দলসমূহক অহা ১৬ আৰু ২৩ এপ্ৰিলৰ লগতে ৩, ১০, ১৭, ২২ আৰু ২৯ মে'ত প্ৰচাৰ আৰু সম্প্ৰচাৰৰ সময় প্ৰদান কৰা হৈছে।

oooo

ৰাজ্য চৰকাৰৰ ড্ৰাগছ বিৰোধী অভিযানত অসম আৰক্ষীয়ে সৰ্ববৃহৎ সাফল্য লাভ কৰিছে। এছ টি এফ আৰু কাছাৰ আৰক্ষীয়ে এটা যৌথ অভিযান চলায় কালি নিশা শিলচৰত ২১ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰিবলৈ সমৰ্থ হয়। শিলচৰৰ নিকটৱৰ্তী শিলডুবিত ৰাষ্ট্ৰীয় ঘাইপথত মিজোৰামৰ পৰা অহা এখন বাহনত তালাচী চলাই হেৰ'ইনখিনি জব্দ কৰা হয়। জব্দ কৰা হেৰ'ইনখিনিৰ মূল্য প্ৰায় ২১০ কোটি টকা বুলি আৰক্ষী সূত্ৰত প্ৰকাশ পাইছে। আনহাতে হেৰ'ইনখিনি সৰবৰাহ কৰাৰ অভিযোগত আৰক্ষীয়ে এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰে।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৭ বাজি ৪৫ মিনিটত 'চলন্তিকা-লোকনিৰ্ণয়, ২০২৪' শীৰ্ষক অনুষ্ঠানত তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পলৰ সৈতে হোৱা এটা কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব তিনিচুকীয়াৰ সংবাদদাতা মনোৰঞ্জন মৰাণে। অনুষ্ঠানত সমাগত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্তগৰাকীৰ সৈতে বাৰ্তালাপ কৰা হ'ব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, পাঞ্জাৱ কিংছে যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছক ৩ উইকেটত পৰাস্ত কৰে। পাঞ্জাৱে ২০০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু ৫টা বলত ৭টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। পাঞ্জাৱৰ হৈ শশাংক সিঙে ২৯টা বলত ৬১ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অধিনায়ক শুভমন গীলৰ অপৰাজিত ৮৯ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অ'ভাৰত ৪ উইকেটৰ বিনিময়ত ১৯৯ ৰান কৰে। পাঞ্জাৱৰ হৈ কগিছ' ৰাবাডাই ২টা উইকেট দখল কৰে। শশাংশ সিঙক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০০

সুৰা নীতি কেলেংকাৰীক লৈ কাৰাৰুদ্ধ হৈ থকা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰণৰ দাবীৰে দাখিল হোৱা এখন জনস্বাৰ্থজড়িত আবেদন দিল্লী উচ্চ ন্যায়ালয়ে খাৰিজ কৰাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কোকৰাঝাৰৰ সাংসদ নব শৰণীয়াৰ জনজাতিৰ জাতিগত প্ৰমাণপত্ৰ ভুৱা বুলি ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিয়ে কৰা ঘোষণাত গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজৰ পূৰ্বৰ স্থগিতাদেশ খাৰিজ কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এপিএছচিৰ নিযুক্তি কেলেংকাৰীৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে ছমাহৰ বাবে গঠন কৰা বিশেষ তদন্তকাৰী গোটৰ কামৰ বিতং প্ৰতিবেদন অহা ২২ এপ্ৰিলত দাখিলৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিয়াৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ফৰ্বছৰ দ্বাৰা প্ৰকাশিত ধনী ব্যক্তিৰ তালিকাত ভাৰতৰ উদ্যোগপতি মুকেশ আম্বানীয়ে বিশ্বৰ একাদশ স্থান লাভ কৰাৰ লগতে এছিয়াৰ সবাতোকৈ ধনী ব্যক্তিৰূপে বিবেচিত হোৱাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিজৰ ৰাজহুৱা ভাৱমূৰ্তি আৰু কংগ্ৰেছ দলৰ ক্ষতি হ'ব পৰা মন্তব্য আগবঢ়োৱাৰ অভিযোগত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ১০ কোটি টকাৰ মানহানি গোচৰ তৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰঙালী বিহুৰ প্ৰাক্‌ক্ষণত অসম চৰকাৰৰ হস্ততাঁত বস্ত্ৰ শিল্প বিভাগে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীত অভিযান চলাই বৃহৎ পৰিমাণৰ পাৱাৰলুমৰ গামোচা জব্দ কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিগত ৫ বছৰৰ ভিতৰত ২০২৩-২৪ বৰ্ষত সৰ্বাধিক সংখ্যক ১৩ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰাৰ বাতৰিক **The Sentinel** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সমষ্টি পুনৰ নিৰ্ধাৰণে আসন্ন লোকসভা নিৰ্বাচনত গুৰুতৰ প্ৰভাৱ বিস্তাৰ কৰিব বুলি ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অশোক সিংহলে **The Assam Tribune** -ৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত উল্লেখ কৰাৰ বাতৰিক কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – এছ্ আই জোনমণি ৰাভাৰ ৰহস্যজনক মৃত্যুৰ ঘটনাক লৈ দাখিল কৰা গোচৰ প্ৰত্যাহাৰ মাতৃৰ, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ জ্যেষ্ঠ নেতা তথা  মুখপাত্ৰ ৰমেন বৰঠাকুৰৰ দল ত্যাগ, বিহুৰ পাছতেই ঘোষণা হ'ব হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**